FISH/ 70 /2023-TN&FISH-DRR

I/ 211068 / 2024

# অসম চৰকাৰ
## জিলা আয়ুক্তৰ কাৰ্য্যালয় দৰং ঃঃ মঙ্গলদৈ
## (মীন শাখা)

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা যায় যে দৰং জিলাৰ দলগাওঁ আৰু পূব -মঙ্গলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত ২ নং চুতীয়া ব্ৰহ্মপুত্ৰ মীন মহলখন পুনৰ বন্দোবস্তীৰ বাবে ইং ২০-০৬-২০২৪ তাৰিখৰ পৰা ইং ১০-০৭-২০২৪ তাৰিখলৈ দিনৰ ১১.০০ বজাৰ পৰা দিনৰ ৩.০০ বজালৈ নিবিদা গ্ৰহণ কৰা হব বুলি জাননী জাৰি কৰা হল। ইং ১০-০৭-২০২৪ তাৰিখে দিনৰ ৩.০০ বজাত নিবিদাকাৰীৰ সন্মুখত নিবিদাসমুহ খোলা হব। সেয়ে মীন মহলখন বন্দোবস্তীৰ বাবে ৮.২৫ টকাৰ আদালতৰ মোহৰযুক্ত নিবিদা আহ্বান কৰা হল।

**<u>তলত উল্লেখ কৰা চৰ্ত সাপেক্ষে মীন মহলখন বন্দোৱস্তী দিয়া হব :</u>**

১) অসম মীন (সংশোধনী) নিয়মাৱলী ২০০৫ ৰ নিয়ম ১২ অনুসৰি মীন মহলখনৰ সমীপৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে ১০০% প্ৰকৃত মাছমৰীয়া লোকেৰে গঠিত অনুসুচীত জাতি বা মাইমল সম্প্ৰদায়ৰ (তদানীন্তন কাছাৰ জিলাৰ )ৰ মীন সমবায় সমিতি, আত্ম সহায়ক গোট, এন. জি. অ. ই নিবিদা দিব পাৰিব।

২) নিবিদা, জিলা আয়ুক্ত কাৰ্য্যালয়ৰ নিৰ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হব।

৩) ইচ্ছুক নিবিদাকাৰীয়ে কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্ধাৰিত সময় সুচীমতে নিৰ্ধাৰিত বাকচত নিবিদা জমা দিব পাৰিব। নিৰ্ধাৰিত সময়ৰ পিছত কোনো নিবিদা গ্ৰহণ কৰা নহব।

**<u>তলত উল্লেখ কৰা প্ৰমাণ পত্ৰ সমুহ সংলগ্ন কৰি নিবিদা দাখিল কৰিব লাগিব ঃ</u>**

ক) মীন সমবায় সমিতি, আত্ম সহায়ক গোট, এন .জি .অ .ৰ সদস্যসকল অনুসূচীত জাতি বা মাইমল সম্প্ৰদায়ৰ (তদানীন্তন কাছাৰ জিলাৰ ) ১০০% প্ৰকৃত মাছমৰীয়া হোৱাৰ, সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়কৰ দ্বাৰা স্বাক্ষৰিত প্ৰমাণ পত্ৰ।

খ) নিৰ্দিষ্ট ৰাজহ চক্ৰৰ পৰা পাৰবাসী (Neighbourhood) হোৱাৰ প্ৰমাণ পত্ৰ (উক্ত মীন মহলখনৰ পৰা মীন সমবায় সমিতি,আত্ম সহায়ক গোট, এন .জি .অৰ প্ৰকৃত দূৰত্ব উল্লেখ কৰিব লাগিব)।

গ) জিলা মীন উন্নয়ণ বিষয়াৰ পৰা মাছ মৰাৰ অভিজ্ঞতাৰ প্ৰমাণ পত্ৰ।

ঘ) জিলা আয়ুক্ত কাৰ্য্যালয়ৰ পৰা বাকীজাই মুক্ত প্ৰমাণ পত্ৰ।

ঙ) নিবিদাকাৰীয়ে কল ডিপজিত (জিলা আয়ুক্তৰ নামত আহিত) আকাৰত নিবিদাৰ লগত আমানত ধন জমা দিব লাগিব। এই আমানত ধন নিবিদাকাৰীয়ে আগবঢ়োৱা ১ম বছৰৰ ৰাজহৰ ১০% ৰ কম হব নোৱাৰিব।

চ) মীন সমবায় সমিতিৰ পঞ্জীয়ন প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি (প্ৰযোজ্য সাপেক্ষে নবীকৰণ হব লাগিব)।

ছ) পাণকাৰ্ড (মীন সমবায় সমিতি, আত্ম সহায়ক গোট, এন .জি .অ .ৰ নামত থকা)। ব্যক্তিগত পাণকাৰ্ড গ্ৰহণযোগ্য নহব।

জ) মীন সমবায় সমিতিৰ হকে নিবিদা দিয়াৰ কৰ্তৃত্ব প্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়িত ফটো গাঠি দিব লাগিব।

ঝ) মীন সমবায় সমিতিৰ তিনি (৩) বছৰৰ হিচাব পৰীক্ষাৰ নথী-পত্ৰ আৰু লাভ-লোকচানৰ হিচাবৰ প্ৰতিলিপি (কৰ্তৃত্বপ্ৰাপ্ত বিষয়াৰ দ্বাৰা পৰীক্ষা কৰা হব লাগিব)।

ঞ) নিবিদা কাৰীয়ে নিবিদা বন্ধখামৰ ওপৰত মীন মহলৰ নাম উল্লেখ কৰিব আৰু নিৰ্ধাৰিত বাকচত নিবিদা জমা দিব লাগিব।

ক্ৰমশ:

৮/2024

ট) গৃহীত নিবিদা কাৰীয়ে নিৰ্ধাৰিত বাৰ্ষিক ৰাজহৰ ওপৰত পিছৰ বছৰ কেইটাত প্ৰতি বছৰে চৰকাৰৰ নীতি-নিৰ্দেশনা অনুসৰি অতিৰিক্ত মীন ৰাজহ আদায় দিব লাগিব।

ঠ) ১০.০০ (দহ) টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ/বেঙ্কাৰ চেক/বেঙ্কাৰ ড্ৰাফট জমা দিব লাগিব।

ড) যিকোনো কাৰণত নিবিদা বাতিল কৰাৰ পূৰ্ণ অধিকাৰ নিম্ন স্বাক্ষৰ কাৰীৰ থাকিব আৰু ইয়াৰ বাবে কোনো কাৰণ দৰ্শোৱাৰ বাবে বাধ্য নাথাকিব।

| বন্দৱস্তী দিব লগীয়া মীন মহলৰ নাম | কোন পৰ্য্যায়ৰ অন্তৰ্গত | চৰকাৰী ৰাজহৰ পৰিমাণ (১ম বছৰৰ) | কোন তাৰিখৰ পৰা বন্দৱস্তী দিয়ে |
|---|---|---|---|
| ২ নং চুটীয়া ব্ৰহ্মপুত্ৰ মীন মহল | ৬০% | ১৫,৩৬,৮৪০.০০ টকা | যি তাৰিখত চৰকাৰে বন্দৱস্তী দিয়ে |

Signed by
Munindra Nath Ngatey
Date: 19-06-2024 17:37:25
জিলা আয়ুক্ত
দৰং :: মঙ্গলদৈ

স্মাৰকনং- ইচিএফ-৪৭৬২২/২০২৪
প্ৰতিলিপি জ্ঞাতাৰ্থে ও কাৰ্য্যকৰণাৰ্থে প্ৰেৰণ কৰা হল :-

১) মাননীয় যুটীয়া সচিব, অসম চৰকাৰ, মীন বিভাগ, দিশপুৰ, গুৱাহাটী-৬।
২) মূখ্য কাৰ্য্যবাহী বিষয়া, দৰং জিলা পৰিষদ, মঙ্গলদৈ।
৩) চক্ৰবিষয়া, দলগাওঁ/পূব -মঙ্গলদৈ ৰাজহ চক্ৰ। এই জাননী খন মীন মহলৰ পাৰবাসী ৰাইজৰ মাজত বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ তেখেতক অনুৰোধ জনোৱা হল।
৪) জিলা মীন উন্নয়ণ বিষয়া, দৰং, মঙ্গলদৈ। বহুল প্ৰচাৰৰ বাবে।
৫) সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়ক/উপ-পঞ্জীয়ক, মঙ্গলদৈ। বহুল প্ৰচাৰৰ বাবে।
৬) খণ্ড উন্নয়ণ বিষয়া, পূব-মঙ্গলদৈ উন্নয়ণ খণ্ড। বহুল প্ৰচাৰৰ বাবে।
৭) জিলা তথ্য ও জন-সম্পদ ৰক্ষী বিষয়া, দৰং, মঙ্গলদৈ। বাতৰি কাকত ও অন্যান্য মাধ্যমৰ জৰিয়তে বহুল প্ৰচাৰৰ বাবে।
৮) আয়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক।

স্বাক্ষৰ/-
জিলা আয়ুক্ত
দৰং :: মঙ্গলদৈ